# তীমথিয়ৰ প্ৰতি দ্বিতীয় পত্ৰ

১ ১পৌলৰ হৈ যি ঈশ্বৰৰ ইচ্ছা অনুসাৰে যীচু খ্ৰীষ্টৰ
পাঁচনি আৰু যাক যীচু খ্ৰীষ্টত জীৱন পাবলৈ প্ৰতিজ্ঞাৰ
প্ৰচাৰ কৰিবলৈ পঠোৱা হৈছে:
২প্ৰিয় পুত্ৰ তীমথিয়ৰ সমীপলৈ।
পৰম পিতৃ ঈশ্বৰ আৰু আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পৰা
তোমালৈ কৰুণা, অনুগ্ৰহ আৰু শান্তি হওক।

### ধন্যবাদ আৰু মঙ্গলাচৰণ

৩ৰাতিয়ে দিনে নিজৰ প্ৰাৰ্থনাত নিৰন্তৰে তোমাক
সোঁৱৰণ কৰি, মই সেই ঈশ্বৰৰ ধন্যবাদ কৰোঁ আৰু
তেওঁৰ পৰিচৰ্য্যাত নিজৰ ওপৰ-পূৰুষৰ ৰীতি অনুসাৰে
শুদ্ধ মনেৰে কৰোঁ। ৪মোৰ কাৰণে তুমি চকুলো টুকিছা
সেই কথা সোঁৱৰণ কৰি মই তোমাক লগ পাবলৈ বৰ
ইচ্ছা কৰিছোঁ যাতে মই আনন্দৰে পৰিপূৰ্ণ হওঁ। ৫মোৰ
তোমাৰ সত্য বিশ্বাসো মনত আছে যি প্ৰথমতে তোমাৰ
নানী লোয়ীৰ আৰু তোমাৰ মাঁৰা উনীকীত আছিল।
মোৰ ভাৰসা যে সেইটোৱেই বিশ্বাস তোমাতো আছে।
৬এইকাৰণে মই তোমাক সোঁৱৰণ কৰাই দিছোঁ যে ঈশ্বৰৰ
বৰদানৰ যি উজ্জ্বলতাক জ্বলাই ৰাখা যেতিয়া মই তোমাৰ
ওপৰত নিজৰ হাত ৰাখিছিলোঁ তেতিয়া দিয়া হৈছিল।
৭কিয়নো ঈশ্বৰে আমাক যি আত্মা দিছে, সেইবোৰে
আমাক ভয় নেদেখুৱাই কিন্তু আমাক প্ৰেম, আৰু শক্তিৰে
পৰিপূৰ্ণ কৰি দিয়ে।
৮এইকাৰণে তুমি আমাৰ প্ৰভু বা ময়ো যি তেওঁৰ কাৰণে
বন্দীয়াৰ হৈছো, তেওঁৰ সাক্ষ্য দিবলৈ লজ্জা নকৰিবা। কিন্তু
তোমাক ঈশ্বৰে যি শক্তি দিছে, তাৰে শুভৰাৰ্তা নিমিত্তে
ক্লেশ সহন কৰিবলৈ মোৰ সঙ্গ দিয়া।
৯তেওঁৱেই আমাক ৰক্ষা কৰিছে আৰু পবিত্ৰ জীৱনৰ
কাৰণে আমন্ত্ৰণ কৰিলে। আমাৰ নিজৰ কৰা কৰ্ম্মৰ দ্বাৰা
নহয় কিন্তু তেওঁৰ নিজৰ সেই অভিপ্ৰায় আৰু অনুগ্ৰহৰ
অনুসাৰে যি ঈশ্বৰৰ দ্বাৰা যীচু খ্ৰীষ্টত আমাক প্ৰথমে অনাদি
কালৰ পৰাই দিয়া হৈছে। ১০কিন্তু এতিয়া আমাৰ ত্ৰাণকৰ্তা
যীচু খ্ৰীষ্টৰ আবিৰ্ভাৱ হোৱাৰ লগে লগে আমাৰ কাৰণেও
প্ৰকাশিত কৰা হল। তেওঁ মৃত্যুক শেষ কৰি দিলে আৰু
জীৱন আৰু অক্ষয়তাৰ শুভৰাৰ্তাক প্ৰকাশিত কৰিলে।
১১এই শুভৰাৰ্তাক ঘোষণা কৰিবলৈ মোক এজন পালক,
পাঁচনি আৰু শিক্ষকৰ ৰূপত নিযুক্ত কৰা হল। ১২আৰু এই
কাৰণেই যিহতে মই এই কথাবোৰৰ কাৰণে দু:খ-ভোগো
কৰিছোঁ। আৰু তথাপিও লজ্জিত নহওঁ কিয়নো যি জনাত
মই বিশ্বাস কৰিছোঁ, মই তেওঁক জানো আৰু মই এইটো
স্বীকাৰ কৰোঁ যে তেওঁ মোক যি গতাই দিছে, তেওঁ তাক
ৰক্ষা কৰিবলৈ সমৰ্থ যেতিয়ালৈকে সেই দিন[a] আহিব,
১৩সেই উত্তম শিক্ষাক যিটো তুমি মোৰ পৰা যীচু খ্ৰীষ্টত
প্ৰাপ্ত হোৱা বিষয়ৰ বিশ্বাস আৰু প্ৰেমৰ সৈতে শুনিলা তুমি
যি শিকোৱা তাৰ আৰ্হি সেইটোৱেই উত্তম শিক্ষা। ১৪আমাৰ
অন্তৰত নিবাস কৰা পবিত্ৰ আত্মাৰ দ্বাৰা তুমি সেই বহুমূল্য
দানৰ পহৰা দিয়া যিটো তোমাক গতাই দিয়া হৈছে।
১৫যেনকৈ তুমি জানা যে সেই যি সকলো এচিয়াত
আছিল, মোক এৰি গল। ফুগিল্ল, হৰ্ম্মাগিনি তেওঁলোকৰ
ভিতৰৰেই হয়। ১৬অনীচিফৰৰ পৰিয়ালৰ ওপৰত ঈশ্বৰে
অনুগ্ৰহ কৰক। কিয়নো তেওঁ অনেক বাৰ মোৰ প্ৰাণ
জুৰাইছিল। আৰু মই বন্দীশালত থকা সময়ত তেওঁ লজ্জিত
হোৱা নাছিল। ১৭কিন্তু তেওঁ যেতিয়া ৰোমলৈ আহিছিল,
মোক লগ পাবলৈ যত্নৰে বিচাৰি আছিল। ১৮প্ৰভুৱে তেওঁক
সেই দিনা প্ৰভুৰ দ্বাৰা দয়া প্ৰাপ্ত কৰক। তেওঁ ইফিচতো
মোৰ সেৱা শুশ্ৰূষা বিধে বিধে কৰিছিল তুমি সেইবোৰ
ভালকৈয়ে জানা।

### যীচু খ্ৰীষ্ট সঁচা সৈন্য

২ ১আৰু তোমাৰ বিষয়ে, মোৰ পুত্ৰ, যীচু খ্ৰীষ্টৰ দ্বাৰা
প্ৰাপ্ত হবলৈলগীয়া অনুগ্ৰহত তুমি সুদৃঢ় হোৱা। ২বহুত
লোকৰ সাক্ষ্যত মোৰ পৰা যি শুনিলা, সেই সকলোকে
বিশ্বাসী কৰিব পৰা যোগ্য ব্যক্তিসকলক গতাই দিয়া যাতে
আন বিলাককো শিক্ষা দিয়াত নিপুন হয়। ৩ক্লেশ সহন কৰাত
যীচু খ্ৰীষ্টৰ এজন উত্তম সৈনিক ৰুপে তুমি মোৰে সৈতে
আহি লগ হোৱা। ৪এনেকুৱা কোনোৱে যি চিপাহীৰ সমানে
পৰিচৰ্য্যা কৰি আছে, তেও নিজকে সাধাৰণ জীৱনৰ কোনো
ব্যৱসায় পাশত বন্ধ হবলৈ নিদিয়ে তেওঁ নিজৰ শাসক
আৰু অধিকাৰীক প্ৰসন্ন কৰিবলৈ যত্নশীল থাকে। ৫আৰু
এনেকৈ কোনোৱে দৌৰ প্ৰতিযোগীতাত ভাগ লয়, তেন্তে
তেওঁ যেতিয়ালৈকে প্ৰতিযোগীতাৰ নিয়মবোৰ পালন কৰি
প্ৰতিযোগীতাত অংশ গ্ৰহণ নকৰে, তেতিয়ালৈকে তেওঁ
সেই কিৰীটি নাপাই তেন্তে তেওঁ যেতিয়ালৈকে সেই কিৰীটি
যি সময়লৈকে নাপাই। ৬পৰিশ্ৰমী খেতিয়কে সকলোতকৈ
প্ৰথমে ভাগ পাবৰ যোগ্য। ৭মই যি কৈছোঁ, তাক বিবেচনা
কৰা। প্ৰভুৱে তোমাক সকলো বুজি পাবলৈ ক্ষমতা প্ৰদান
কৰিব।
৮যীচু খ্ৰীষ্টক সোঁৱৰণ কৰি থাকা যি মৃতবিলাকৰ মাজৰ

[a] **১:১২ সেই দিন** অৰ্থাৎ সেই দিন যেতিয়া সকলো লোকবিলাকৰ বিচাৰ কৰিবৰ কাৰণে যীচু খ্ৰীষ্ট আহিব আৰু তেওঁলোকক নিজৰ লগত থাকিবলৈ লৈ যাব।

পৰা পুন:জীৱিত হৈ উঠিল আৰু যি দায়ুদৰ বংশৰ হয়।
এয়েই শুভৱাৰ্তাৰ মূল যিহৰ মই উপদেশ দিওঁ। ৯ইয়াৰ
কাৰণেই মই যাতনা ভোগ কৰি থাকোঁ। ইমানেই নহয়
এজন অপৰাধীৰ সমান মোক শিকলীৰে বান্ধি থোৱা হৈছে।
কিন্তু ঈশ্বৰৰ বাক্য হলে বন্ধ হোৱা নাই। ১০এই কাৰণেই
ঈশ্বৰৰ মনোনীত লোক বিলাকৰ কাৰণে মই প্ৰত্যেক দু:খ
সহন কৰি থাকো যাতে তেওঁলোক যীচু খ্ৰীষ্টত পাব লগীয়া
পৰিত্ৰাণ, আৰু তাৰে সৈতে অনন্ত গৌৰৱ পায়।

১১এই বাক্য বিশ্বাসযোগ্য যে:

যদি আমি তেওঁৰে সৈতে মৰিলোঁ, তেন্তে তেওঁৰে সৈতে
জীয়াম,

১২যদি দু:খ সহন কৰোঁ তেন্তে তেওঁৰে সৈতে ৰাজত্বও
কৰিম।

যদি আমি তেওঁক অস্বীকাৰ কৰোঁ, তেন্তে তেৰোঁ আমাক
অস্বীকাৰ কৰিব,

১৩আমি অবিশ্বাসী হলেও তেওঁ সদা-সৰ্বদায় বিশ্বাসী হৈ
থাকে

কিয়নো তেওঁ নিজৰ অস্বীকাৰ কৰিব নোৱাৰে।

## স্বীকৃত কৰ্ম্মকৰ্তা

১৪লোক বিলাকক এই কথা সোঁৱৰণ কৰাই থাকা আৰু
ঈশ্বৰক সাক্ষী কৰি তেওঁলোকক সাৱধান কৰি থাকা যে তেওঁ
লোকে শব্দক লৈ বাগযুদ্ধ নকৰক। এনে বাগযুদ্ধৰে একো
লাভ নহয়, কিন্তু এইবোৰ যি বিলাকে শুনে তেওঁলোকে
নষ্ট হৈ যায়। ১৫নিজে নিজক ঈশ্বৰৰ দ্বাৰা গ্ৰহণযোগ্য
হিচাপে এনে এজন পৰিচাৰকৰ ৰূপত প্ৰস্তুত কৰিবলৈ যত্ন
কৰি থাকা যিহতে কোনো কথাত লজ্জিত হোৱাৰ যোগ্য
নোহোৱা। আৰু যি ঈশ্বৰৰ সত্য বাক্যক সঠিক ৰূপে ব্যৱহাৰ
কৰাত নিপুন হোৱা।

১৬আৰু জগতৰ বাদ বিবাদবোৰ তথা অনৰ্থক কথাৰ পৰা
পৃথক হোৱা। কিয়নো এইবোৰ কথাই লোকবিলাকক ঈশ্বৰৰ
পৰা দূৰলৈ লৈ যায়। ১৭এনে লোকবিলাকৰ শিক্ষা গেলা ঘাঁৰ
দৰে বিয়পি যাব। হুমিনায় আৰু ফিলীত এনে ধৰণৰ লোক।
১৮যি সত্যৰ বিন্দুৰ পৰা ভ্ৰষ্ট হৈ গল। তেওঁলোকে কয় যে
পুনৰুত্থান এতিয়া হৈ গল। এওঁলোকে কিছুমান লোকৰ
বিশ্বাসক বিনষ্ট কৰি আছে।

১৯যি কি নহওক ঈশ্বৰে যি সুদৃঢ় ভিত্তিমূল স্হাপন
কৰিলে, সেইটো দৃঢ়তাৰে স্হিৰে আছে। তাত অংকিত
আছে, “প্ৰভুৱে তেওঁৰ ভক্তবিলাকক জানে।”[a] আৰু “যি
কোনোৱে কয় যে তেওঁ প্ৰভুৰ হয় তেওঁ অৰ্ধামিকতাৰ পৰা
দূৰে থাকক।”

২০এটা ডাঙৰ ঘৰত কেৱল সোণ-ৰূপৰে পাত্ৰই নাথাকে,
তাত কাঠৰ, মাটিৰ পাত্ৰও থাকে। কিছুমান বিশেষ ব্যৱহাৰৰ
কাৰণে আৰু কিছুমান সাধাৰণ ব্যৱহাৰৰ কাৰণে। ২১এই
কাৰণে যদি ব্যক্তিজন নিজকে অশুচিতাৰ পৰা শুদ্ধ কৰি
লয় তেনেহলে তেওঁ বিশেষ ব্যৱহাৰৰ কাৰণে হব আৰু
পবিত্ৰ হৈ নিজৰ প্ৰভুৰ নিমিত্তে উপযোগী আৰু সিদ্ধ হব।
আৰু যি কোনো উত্তম কাৰ্য্যৰ নিমিত্তে তৎপৰ হব।

২২যৌৱন কালৰ অভিলাষৰ পৰা দূৰত থাকা, ধাৰ্মিক
জীৱন, বিশ্বাস, প্ৰেম, আৰু শান্তিৰ নিমিত্তে সেইবোৰৰ
সৈতে শুদ্ধ মনেৰে প্ৰভুৰ নাম লবলৈ, যত্ন কৰা। ২৩মুড়
আৰু অশিষ্ট বাদ-বিবাদৰ পৰা সদায় বাছি থাকিবা। কিয়নো
তুমি জানা যে এই বাদ-বিবাদৰ পৰা কাজিয়াহে উৎপন্ন হয়।
২৪আৰু প্ৰভুৰ পৰিচাৰক বিলাকে বাদ-বিবাদ কৰিব নালাগে।
তেওঁলোকে সকলোলৈকে মৃদুশীল হব লাগে। তেওঁলোক
শিক্ষা দিয়াত নিপুন হব লাগে। তেওঁলোক সহনশীল
হব লাগে। ২৫তেওঁলোকে নিজৰ বিৰোধীবিলাককো এই
আশাৰে যে ঈশ্বৰে তেওঁলোককো মন পালটন কৰিবলৈ
শক্তি দিব। বিনম্ৰতাৰে তেওঁলোকক বুজাব লাগে। যাতে
তেওঁলোকেও সত্যৰ জ্ঞান পাওক। ২৬আৰু তেওঁলোকে
যেন যি চয়তানে তেওঁলোকক ধৰি ৰাখিছে, সেই চয়তানৰ
ফান্দৰ পৰা সূচ পাই যাতে ঈশ্বৰৰ অনুসৰণ কৰিব পাৰে।

## শেষৰ কালত

৩ ১মনত ৰাখা শেষৰ কালত আমাৰ ওপৰত ভয়ঙ্কৰ
সময় আহিব। ২লোকবিলাক স্বাৰ্থপৰ, লোভীয়া,
অভিমানী, দৰ্পী, ঈশ্বৰৰ নিন্দক, পিতৃ-মাতৃক নমনা, নিৰ্দয়ী
অপবিত্ৰ ৩প্ৰেমহীন, নিৰ্দ্দয়, অপাবদক, ইন্দ্ৰিয় দমন
নকৰা, প্ৰচণ্ড সাধুক ঘিনাওতা ৪বিশ্বাসঘাতক, আপোন-
মইমত, গপাল, ঈশ্বৰ প্ৰিয়তকৈ বৰং সুখ-প্ৰিয় হৈ যাব।
৫তেওঁলোকে ধৰ্মৰ আধাৰকাৰীৰ ৰূপ পালন কৰিব কিন্তু
তেওঁলোকে তেওঁৰ ভিতৰি শক্তিক অস্বীকাৰ কৰিব।
তেওঁলোকৰ পৰা সদায়ে দূৰ থাকা।

৬কিয়নো এইবিলাকৰ কিছুমান এনে আছে যিবিলাকে
ছলেৰে পৰৰ ঘৰত সোমাই পাপী, দুৰ্বল ইচ্ছা শক্তিৰে
পাপময় সকলো প্ৰকাৰে চালিত হোৱা, নিৰ্বোধী তিৰোতা
বিলাকক নিজ বশত কৰি লয়। ৭এই তিৰোতাবিলাকে
সদায় শিক্ষা পাবলৈ যত্ন কৰি থাকে, কিন্তু সত্যৰ তত্বজ্ঞান
লৈ কেতিয়াও ঢুকি নাপায়। ৮যান্নি আৰু যাম্ব্ৰিয়ে যেনেকৈ
মোচিৰ বিৰোধ কৰিছিল, তেনেকুৱাই এইবিলাক সত্যৰ
বিৰোধী। এইবিলাকৰ বুদ্ধি ভ্ৰষ্ট আৰু বিশ্বাসৰ অনুসৰণ কৰাত
এওঁলোক অসমৰ্থ। ৯কিন্তু এইবিলাকে আৰু অধিক দূৰ
আগবাঢ়ি যাব নোৱাৰিব কিয়নো যেনেকৈ য়ান্নি আৰু যাম্ব্ৰিৰ
নিচিনা মুড়তা প্ৰকাশিত হৈছিল, তেনেকুৱাই এওঁলোকৰ
মুড়তাও সকলোৰে আগত প্ৰকাশিত হৈ যাব।

## শেষ আদেশ

১০যি কি নহওক, তুমি মোৰ শিক্ষা পালন কৰিছা। মোৰ
জীৱন পদ্ধতি, মোৰ জীৱনৰ উদ্দেশ্য, মোৰ বিশ্বাস, মোৰ
সহনশীলতা, মোৰ প্ৰেম, মোৰ ধৈৰ্য্য ১১মোৰ সেই তাড়না
আৰু দুখভোগৰ সমভাগী হলা। তুমি জানা যে আন্তিখীয়া,
ইকনিয় আৰু সুস্ত্ৰাত মোক কিমান ভয়ঙ্কৰ তাড়না দিয়া

[a] **২:১৯** উদাৰহণ গণনা পুস্তক ১৬:5

হৈছিল যিটো মই সহন কৰিছিলোঁ। কিন্তু প্ৰভুৱে মোক
সেইবোৰৰ পৰা ৰক্ষা কৰিলে। ১২আচলতে ঈশ্বৰৰ
পৰিচৰ্য্যাত যিবিলাকে ভক্তিভাৱে জীৱন ধাৰণ কৰিবলৈ
ইচ্ছা কৰে তেওঁলোকে তাড়না পাব। ১৩কিন্তু পাপী আৰু
প্ৰৱঞ্চকবিলাকে আনবিলাকক চলনা কৰি নিজেই চালিত
হৈ বেয়াৰ পৰা বেয়া হৈ যাব।
১৪কিন্তু তুমি যি কথাবোৰ শিকিলা আৰু মানিছা সেইবোৰ
কৰি থাকা। তুমি জানা যে সেই কথাবোৰ তুমি কাৰ পৰা
শিকিলা। ১৫আৰু তুমি জানা যে তুমি শিশুকালৰে পৰা পবিত্ৰ
শাস্ত্ৰৰ বিষয়েও জানা। সেইবোৰে তোমাক জ্ঞান দিব পাৰে
যিবোৰে খ্ৰীষ্ট যীচুত বিশ্বাসৰ দ্বাৰা পৰিত্ৰাণ পাব পাৰি।১৬সম্পূৰ্ণ
পবিত্ৰ শাস্ত্ৰ ঈশ্বৰ-নিশ্বাসিত। এইবোৰ লোকবিলাকক সত্যৰ
শিক্ষা দিবলৈ, তেওঁলোকক সিদ্ধ কৰিবলৈ, তেওঁলোকক
তেওঁলোকৰ পতিত কৰ্ম্মবোৰ দৰ্শাবলৈ, আৰু ধাৰ্মিকতা
জীৱনৰ সমন্ধীয় শাসনৰ বাবে উপযোগী। ১৭যাতে ঈশ্বৰৰ
প্ৰত্যেক পৰিচাৰকে শাস্ত্ৰৰ প্ৰয়োগ কৰি সকলো প্ৰকাৰৰ
উত্তম কৰ্ম্ম কৰিবলৈ সমৰ্থ আৰু সুসজ্জিত হব।

৪ ১ঈশ্বৰক সাক্ষী কৰি আৰু খ্ৰীষ্ট যীচুক নিজৰ সাক্ষী কৰি
যি সকলো জীৱিত আৰু যিবিলাক মৰি গৈছে, তেওঁ
বিলাকৰ বিচাৰ কৰিবলৈ আহিবলৈ আছে, আৰু কিয়নো
তেওঁৰ পুন:আগমন আৰু তেওঁৰ ৰাজ্য নিচেই ওচৰ, মই
তোমাক শপত দি আদেশ দিছোঁ ২শুভবাৰ্তাৰ ঘোষণা কৰা।
লাগিলে তোমাৰ সুবিধা হওক বা অসুবিধা হওক, নিজৰ
কৰ্তব্য কৰিবলৈ উৎসাহী হোৱা। লোকবিলাকে কি কৰিব
লাগে, সেইবোৰ বুজোৱা। যেতিয়া তেওঁলোকে কিবা বেয়া
কৰ্ম্ম কৰে তেন্তে তেওঁলোকক ডবিওৱা। লোকবিলাকক
ধৈৰ্য্যৰে সৈতে অনুযোগ কৰা আৰু উদগোৱা।
৩মই এইবোৰ এইকাৰণেই কৈছোঁ যে এনে এক সময়
আহিব যেতিয়া লোক বিলাকে উত্তম শিক্ষাক শুনিবলৈ
নিবিচাৰিব। তেওঁলোকে নিজৰ ইচ্ছামতে অভিলাষ
অনুসাৰে দমে দমে শিক্ষক গোটাই লব, তেওঁলোকে
তাকেই শুনাব যিটো তেওঁলোকে শুনিব বিচাৰে।
৪তেওঁলোকে নিজৰ কাণক সত্যৰ পৰা বিমুখ কৰি লব আৰু
কল্পিত গল্প কথাবোৰত মন দিব। ৫কিন্তু তুমি নিশ্চয়পূৰ্বক
প্ৰত্যেক পৰিস্হিতিত নিজৰ ওপৰত নিয়ন্ত্ৰণ কৰা, তাড়নাও
পোৱা আৰু শুভবাৰ্তাৰ ঘোষণাৰ কাম কৰা। যি পৰিচৰ্য্যা
তোমাক গতাই দিয়া হৈছে, সেয়া পূৰ্ণ কৰা।
৬মোৰ কথা হল, মই এতিয়া নৈবেদ্যৰূপে ঢলা হম।
আৰু মোৰ এই জীৱনৰ পৰা বিদাই লবলৈ সময় আহি
পাইছে। ৭মই উত্তম যুদ্ধত প্ৰাণপনে লাগি আছোঁ। মই
নিজৰ দৌৰ দৌৰিলোঁ। মই বিশ্বাসৰ ৰক্ষা কৰিলোঁ। ৮এতিয়া
বিজয়ৰ কিৰীটিয়ে মোলৈ প্ৰতীক্ষা কৰি আছে। যিটো মোক
মোৰ ধাৰ্মিকতাৰ বাবে পাব লাগে। সেই দিনা বিচাৰকৰ্তা
প্ৰভুৱে মোক বিজয়ৰ কিৰীটি পিন্ধাব। কেৱল মোকেই নহয়
কিন্তু সেই সকলোকে যিবিলাকে প্ৰেমেৰ সৈতে তেওঁৰ
আৰ্বিভাৱক বাট চাই আছে।

### নিজৰ সংবাদ

৯মোৰ তালৈ যিমান সোনকালে হয়, লগ কৰিবলৈ তুমি যত্ন
কৰা। ১০কিয়নো এই জগতৰ মোহ মায়ত পৰি দীমাই মোক
ত্যাগ কৰি দিলে আৰু তেওঁ থিচলনীকীলৈ গল। ক্ৰীস্কে
গালাতিয়ালৈ আৰু তীত দালমাতিয়ালৈ গল। ১১কেৱল
লূকহে আমাৰ লগত আছে। মাৰ্কৰ ওচৰত যাবা আৰু
যেতিয়া তুমি আহিবা, তেওঁকো নিজৰ লগত লৈ আহিবা
কিয়নো মোৰ কামত তেওঁ সহায়ক হব। ১২তুখিকক মই
ইফিচলৈ পঠাই আছোঁ।
১৩যেতিয়া তুমি আহিবা, সেই বৰ চোলাটো, যিটো মই
ত্ৰোৱাত কাৰ্পৰ হাতত এৰি থৈ আহিছোঁ, লৈ আহিবা, মোৰ
কিতাপবোৰ, বিশেষকৈ ছালৰ কিতাপবোৰো লৈ আহিবা।
১৪আলেকজেণ্ডাৰ কঁহাৰে মোৰ বহুত অপকাৰ কৰিলে।
তেওঁ যেনেকৈ কৰিলে, প্ৰভুৱে তেওঁক তেনেকৈয়ে
প্ৰতিফল দিব। ১৫তুমিও তেওঁৰ পৰা সাৱধানে থাকিবা
কিয়নো তেওঁ আমাৰ শিক্ষাবোৰৰ প্ৰতিৰোধ কৰি আছে।
১৬প্ৰথমতে যেতিয়া মই নিজৰ পক্ষে উত্তৰ দিয়া সময়ত
কোনেও মোৰ আগত নাহিলে। কিন্তু তেওঁলোকে মোক
অকলেই এৰি দিছিল। ঈশ্বৰেই তেওঁৰ হিচাপ লওক।
১৭মোৰ পক্ষত প্ৰভুৱে থিয় হৈ মোক শক্তি দিলে। যাতে
মোৰ দ্বাৰা শুভবাৰ্তাৰ ঘোষণা কাৰ্য্য প্ৰচাৰ হয় আৰু
পৰজাতিবিলাকে যেন শুনি পায়। সিংহৰ মূখৰ পৰা মোক
ৰক্ষা কৰিলে। ১৮যিকোনো পাপপূৰ্ণ কৰ্ম্মৰ পৰা মোক উদ্ধাৰ
কৰি নিজৰ স্বৰ্গীয় ৰাজ্যত সুৰক্ষিত ভাৱে মোক লৈ যাব।
তেওঁৰ মহিমা সদা-সৰ্বদায় হৈ থাকক। আমেন!

### পত্ৰৰ সমাপন

১৯প্ৰিস্কিলা, আক্কিলা আৰু এনীচিফৰ পৰিয়ালৰ লোকক
মঙ্গলবাদ দিবা। ২০ইৰাস্ত কুৰিন্তত থাকিলে। মই ত্ৰফিম
নৰিয়া পৰাত মিলীতত থৈ আহিলোঁ। ২১জাৰ কালৰ
আগেয়ে তুমি আহিবলৈ যত্ন কৰিবা।
উবুল, পুদেন্ত আৰু লীন আৰু ক্লৌদিয়া ভনী আৰু সকলো
ভাইয়ে তোমাক মঙ্গবাদ কৰিছে।
২২প্ৰভু তোমাৰ লগত থাকক। তোমালোক সকলোৰে
লগত প্ৰভুৰ অনুগ্ৰহ হওক।